# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 19-AUG-2025
**Time :** 7:05 AM

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::::

১।	বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে বৰ্তমানৰ আন্তঃৰাষ্ট্ৰীয় পৰিৱেশত বিশ্ব অৰ্থনীতিৰ স্থিতিশীলতা সংৰক্ষণ কৰাটো অতি প্ৰয়োজন হৈ উঠিছে বুলি মন্তব্য কৰিছে।

২।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ সফল অভিযান সমাপ্ত কৰা গ্ৰুপ কেপ্তেইন শুভাংসু শুক্লাক সাক্ষাৎ কৰে।

৩।	আছাম ৰাইফলছ আৰু মণিপুৰ আই আই আই টিৰ মাজত কালি ড্ৰোন প্ৰযুক্তিৰ বাবে বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়।

৪।	দক্ষিণ ইউৰোপৰ বনজুইৰ ঘটনাত নিহত হোৱা লোকৰ সংখ্যা ৬লৈ বৃদ্ধি পাইছে।	***আৰু***

৫।	কাৰ্লছ এলকাৰাজে প্ৰথমবাৰৰ বাবে চিনচিনাটি অপেন টেনিছ প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে কৈছে যে বৰ্তমানৰ আন্তঃৰাষ্ট্ৰীয় পৰিৱেশত বিশ্ব অৰ্থনীতিৰ স্থিতিশীলতা সংৰক্ষণ কৰাৰ লগতে ইয়াৰ উন্নয়ন কৰাটো অতি প্ৰয়োজন হৈ উঠিছে। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে ভাৰতে এটা ন্যায্য আৰু সুষম ব্যৱস্থা বিচাৰে আৰু সংস্কাৰিত বহুপাক্ষিকত্বাবাদ হৈছে বৰ্তমানৰ সময়ৰ আহ্বান।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে ভাৰত ভ্ৰমণৰত চীনৰ বিদেশ মন্ত্ৰী ৱাং য়িৰ সৈতে আলোচনাত মিলিত হয় আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে সকলো ধৰণৰ যুঁজেই ভাৰতৰ বাবে প্ৰধান অগ্ৰাধিকাৰ ৰূপে পৰিগণিত হৈ আহিছে বুলি প্ৰকাশ কৰে। দুয়োগৰাকীৰ নেতাৰ মাজত হোৱা আলোচনাত উভয় দেশৰ অৰ্থনৈতিক সম্পৰ্ক, বাণিজ্যিক সম্পৰ্ক, তীৰ্থ যাত্ৰা, জনসাধাৰণৰ মাজৰ সম্পৰ্ক, নদীকেন্দ্ৰিত তথ্য বিনিময়, সীমান্তৰ ওচৰ-পাজৰৰ অঞ্চলসমূহৰ মাজৰ বাণিজ্য, যোগাযোগ আৰু দ্বিপাক্ষিক বিনিময়কে আন ভালেমান বিষয় সামৰি লোৱা হৈছিল। ড০ জয়শংকৰে কয়, যে উভয় দেশৰ মাজৰ সম্পৰ্ক পাৰস্পৰিক সন্মান, পাৰস্পৰিক সংবেদনশীলতা আৰু পাৰস্পৰিক স্বাৰ্থৰ দ্বাৰা পৰিচালিত হ'ব লাগিব। তেওঁ লগতে কয়, যে উভয় দেশৰ মতানৈক্য বিবাদত পৰিণত হ'ব নালাগে, নাইবা প্ৰতিযোগিতাও সংঘাতলৈ ৰূপান্তৰ হ'ব নালাগে।

নিৰাপত্তাজনিত উদ্বেগৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰত সীমাৰ সিপাৰৰ পৰা হোৱা সন্ত্ৰাসবাদৰ সন্মুখীন হৈ আহিছে। চীনৰ ঘনিষ্ঠ মিত্ৰ পাকিস্তানে বহুলাংশে এই সন্ত্ৰাসবাদৰ পৃষ্ঠপোষকতা কৰি আহিছে ড০ জয়শংকৰে স্পষ্টভাৱে প্ৰকাশ কৰে।

ইপিনে চীনৰ বিদেশ মন্ত্ৰীৰ সৈতে হোৱা এই বৈঠকৰ ফলাফলত আস্থা বেকত কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে এই আলোচনাই উভয় দেশৰ মাজত সুস্থিৰ, সহযোগিতামূলক আৰু উন্নয়ন কেন্দ্ৰিক সম্পৰ্ক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত প্ৰভূত অৰিহণা যোগাব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীৰ লোক কল্যাণ মাৰ্গত আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ সফল অভিযান সমাপ্ত কৰা গ্ৰুপ কেপ্তেইন শুভাংসু শুক্লাক সাক্ষাৎ কৰে। মহাকাশ কেন্দ্ৰলৈ সম্পন্ন কৰা ঐতিহাসিক ভ্ৰমণৰ পাছত শ্ৰীশুক্লা কালি ভাৰতলৈ উভতি আহে। সামাজিক মাধ্যমৰ এটা প'ষ্টত প্ৰধানমন্ত্ৰীয়ে কয়, যে সাক্ষাৎকালত তেওঁ মহাকাশচাৰীগৰাকীৰ সৈতে মহাকাশত কটোৱা সময়ছোৱাৰ অভিজ্ঞতা, বিজ্ঞান আৰু প্ৰযুক্তিৰ অগ্ৰগতিৰ লগতে ভাৰতৰ অভিলাষী গগনযান অভিযান সন্দৰ্ভত আলোচনা কৰে। শ্ৰীশুক্লাৰ কৃতিত্বক লৈ প্ৰধানমন্ত্ৰীগৰাকীয়ে গৌৰৱ প্ৰকাশ কৰে। সাক্ষাৎকালত শ্ৰীশুক্লাই প্ৰধানমন্ত্ৰীৰ আগত আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰৰ পৰা তোলা পৃথিৱীৰ কেইখনমান আলোকচিত্ৰ প্ৰদৰ্শন কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কালি নতুন দিল্লীৰ উন্নয়নৰ ভৱিষ্যৎ পৰিকাঠামো সন্দৰ্ভত এখন বৈঠক অনুষ্ঠিত হয়। সামাজিক মাধ্যমৰ এটা প'ষ্টত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে দিল্লীৰ সকলো খণ্ডতে দ্ৰুত সংস্কাৰ সাধন কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ এই নতুন সংস্কাৰসমূহে নগৰখনত বাস কৰা জনসাধাৰণৰ জীৱন যাত্ৰা তথা ব্যৱসায়-বাণিজ্য সহজ কৰি তোলাৰ লগতে দিল্লীৰ দ্ৰুত উন্নয়ন সম্ভৱ কৰি তুলিব। বৈঠকত কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, ৰাজনাথ সিং আৰু নীতিন গাডকাৰীও উপস্থিত থাকে।

ooooo

আসাম ৰাইফলছে মণিপুৰ আই আই আই টিৰ সহযোগত মণিপুৰৰ মণ্ট্ৰিপুখৰিত কালি প্ৰতিৰক্ষা আৰু নিৰাপত্তাৰ বাবে ড্ৰোণ প্ৰযুক্তিৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। প্ৰতিৰক্ষা-শিক্ষা সহযোগিতাৰ গুৰুত্বত আলোকপাত কৰি বুজাবুজিৰ চুক্তি স্বাক্ষৰ অনুষ্ঠানত আসাম ৰাইফলছৰ মহাপৰিদৰ্শক মেজৰ জেনেৰেল ৰৱৰূপ সিং আৰু আই আই আই টি মণিপুৰৰ সঞ্চালকগৰাকীও উপস্থিত থাকে।

এই পদক্ষেপৰ অংশ হিচাপে, আছাম ৰাইফলছৰ কৰ্মীসকলৰ বাবে এডভাঞ্চ ড্ৰ'ণ ট্ৰেইনিং আৰু ৰেফ্ৰেচাৰ ক'ৰ্ছ মুকলি কৰা হৈছে। ইয়াৰ জৰিয়তে ড্ৰ'ন উৰণ, পৰিচালনা আৰু ডি জি চি এৰ প্ৰশিক্ষণ দিয়া হ'ব। এই কাৰ্য্যসূচীৰ জৰিয়তে চোৰাংচোৰাগিৰি, গোপনীয়তা আৰু লজিষ্টিক সমৰ্থন সামৰ্থ্য শক্তিশালী কৰাৰ লক্ষ্য লোৱা হৈছে। প্ৰতিৰক্ষা কৰ্মী আৰু আই আই আই এমৰ অধ্যাপকে ধৰি আশী গৰাকী ব্যক্তিয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰি উদ্ভাৱন আৰু সামৰ্থ্য বৃদ্ধিৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতিৱদ্ধ হয়।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি কৰ্ণাটকৰ উপকূলীয় অঞ্চল, কৰ্ণাটকৰ উত্তৰ অভ্যন্তৰীণ অংশ, গুজৰাট, গোৱা আৰু মধ্য মহাৰাষ্ট্ৰত প্ৰবল বৰষুণৰ ৰেড এলাৰ্ট জাৰি কৰিছে। বিভাগে লগতে আজিৰ দিনটোত চত্তিশগড়, কেৰালা, মাহে, কৰ্ণাটকৰ দক্ষিণ অভ্যন্তৰীণ অংশ, তেলেংগানা আৰু বিদৰ্ভত মুষলধাৰ বৰষুণৰ আগলি বতৰা প্ৰকাশ কৰিছে। আজিৰ দিনটোত উত্তৰ-পূৰ্বাঞ্চলতো প্ৰবল বৰষুণ হ'ব পাৰে বুলি বিভাগে জানিবলৈ দিছে। ইপিনে অন্ধ্ৰপ্ৰদেশৰ উপকূলীয় অঞ্চল, পূব ৰাজস্থান, হিমাচল প্ৰদেশ, জম্মু-কাশ্মীৰ, লাডাখ, গিলগিট, বাল্টিস্তান, মুজাফ্ফৰাবাদ, মধ্যপ্ৰদেশ, মাৰাথৱাৰা, ওড়িশা আৰু উত্তৰাখণ্ডতো একেধৰণৰ পৰিৱেশে বিৰাজ কৰিব বুলি বিভাগে আগলি বতৰা প্ৰকাশ কৰিছে।

ooooo

দক্ষিণ ইউৰোপৰ বনজুইৰ ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ৬ লৈ বৃদ্ধি পাইছে। ইয়াৰে চাৰিগৰাকী স্পেইনৰ আৰু দুগৰাকী পৰ্তুগালৰ লোক বুলি জনা গৈছে। স্পেইনে এই বনজুই নিৰ্বাপনৰ বাবে এহেজাৰ ৯০০ গৰাকী অগ্নিনিৰ্বাপক কৰ্মীক নিয়োজিত কৰিছে।

স্পেনিছ প্ৰধানমন্ত্ৰী পেড্ৰ' চানচ্ছেজে এই ঘটনাত দুখ প্ৰকাশ কৰাৰ লগতে ইয়াৰ নিৰ্মূলৰ বাবে চলোৱা প্ৰচেষ্টাসমূহৰ মাজত সমন্বয় স্থাপনৰ বাবে এখন জৰুৰীকালীন বৈঠকত সভাপতিত্ব কৰে। স্পেইনৰ দক্ষিণপশ্চিম আৰু পশ্চিম অঞ্চলৰ বিশেষকৈ গালিচিয়া আৰু কাচাৰেচৰ ৩০ হাজাৰতকৈও অধিক লোকৰ বাসগৃহ খালী কৰা হৈছে। এইবেলি বনজুইয়ে স্পেইনৰ ৩ লাখ ৪৮ হাজাৰ হেক্টৰ ভূমি গ্ৰাস কৰা বুলি ইউৰোপীয় সংঘৰ ভূমি পৰ্য্যাবেক্ষণ কাৰ্য্যসূচী- কপাৰনিকাছৰ প্ৰাৰম্ভিক তথ্যত প্ৰকাশ পাইছে। চুবুৰীয়া দেশ পৰ্তুগালত ২ লাখ ১৬ হেজাৰ হেক্টৰ ভূমি বনজুইত জ্বলি যোৱাৰ লগতে এগৰাকী অগ্নিনিৰ্বাপক কৰ্মীৰ মৃত্যু হৈছে। এই ঘটনাত দেশখনৰ ৰাষ্ট্ৰপতি মাৰ্চেলো ৰেবেলো ডিচুৱাজাই গভীৰ দুখ প্ৰকাশ কৰিছে। বনজুইৰ দৰে বিধ্বংসী ঘটনাৰ বাবে জলবায়ু পৰিৱৰ্তনেই মূল কাৰণ বুলি বিজ্ঞানীসকলে মত প্ৰকাশ কৰে।

ooooo

ভূটানৰ থিম্ফুত সদ্য সমাপ্ত পঞ্চদশ ছাউথ এছিয়ান বডিবিল্ডিং এণ্ড ফিজিক স্পৰ্টছ চেম্পিয়নশ্বিপত এটা সোণৰ আৰু এটা ৰূপৰ পদক অৰ্জন কৰা অৰুণাচল প্ৰদেশৰ উদীয়মান মহিলা শৰীৰচৰ্চাবিদ হাইলাং য়াজিকক কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজুৱে অভিনন্দন জ্ঞাপন কৰিছে। সংসদত অৰুণাচল প্ৰদেশক প্ৰতিনিধিত্ব কৰা তথা প্ৰাক্তন ক্ৰীড়া মন্ত্ৰী কিৰেন ৰিজিজুৱে খেলুৱৈগৰাকীৰ কৃতিত্বৰ প্ৰশংসা কৰি সমাগত এছিয়ান চেম্পিয়নশ্বিপকে ধৰি অন্যান্য প্ৰতিযোগিতাসমূহৰ বাবে তেওঁক শুভকামনা জনায়।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ লগতে দেশত শৰীৰচৰ্চাৰ প্ৰসাৰৰ বাবে অহৰহ প্ৰয়াস অব্যাহত ৰখা ভাৰতীয় শৰীৰচৰ্চাবিদসকলৰ পৰিষদৰো শলাগ লয়। মন্ত্ৰীগৰাকীক বিশেষভাৱে এইক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা পৰিষদৰ অধ্যক্ষ ৰমেশ কুমাৰ স্বামী আৰু সাধাৰণ সম্পাদক চেতন পাথাৰীয়াৰ শলাগ লৈ কয়, যে তেওঁলোকে শৰীৰচৰ্চাৰ ক্ষেত্ৰত উদীয়মান প্ৰতিভাসমূহৰ যত্ন লোৱাৰ লগতে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ভাৰতৰ শৰীৰচৰ্চাবিদসকলক তুলি ধৰিছে।

ooooo

বিশ্বক্ৰমৰ দ্বিতীয় স্থানৰ খেলুৱৈ কাৰ্লছ এলকাৰাজে প্ৰথমবাৰৰ বাবে চিনচিনাটি অপেন টেনিছ প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে। ফাইনেলত বিশ্বক্ৰমৰ শীৰ্ষস্থানৰ খেলুৱৈ জেনিক চিনাৰে প্ৰথম ছেটত ০-৫ ফলাফলত পিছপৰি থকাৰ সময়তে আঘাতৰ বাবে ক'ৰ্টৰ পৰা প্ৰস্থান কৰে। ইয়াৰ ফলত খেলখন মাত্ৰ ২৩ মিনিটতে সমাপ্ত হয় আৰু কাৰ্লছ এলকাৰাজে স্পেইনৰ তৃতীয়গৰাকী খেলুৱৈ হিচাপে এই খিতাপ দখল কৰে। ইয়াৰ পূৰ্বে স্পেইনৰ কাৰ্লছ ময়া আৰু ৰাফেল নাডালে চিনচিনাটি অপেন টেনিছ প্ৰতিযোগিতাৰ খিতাপ দখল কৰিবলৈ সমৰ্থ হৈছিল।

ooooo

ভাৰতৰ সুমিত মালিকে বুলগেৰিয়াৰ ছামʼকʼভত চলি থকা ২০ বছৰ অনূৰ্ধৰ বিশ্ব মল্লযুদ্ধ চেম্পিয়নশ্বিপৰ ৫৭ কিলোগ্ৰাম ওজন শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ছেমি ফাইনেলত খেলুৱৈগৰাকীয়ে কালি মলডোভাৰ ইয়ন বুলগাৰুক ১১-৩ ফলাফলত সহজেই পৰাস্ত কৰে। ফাইনেলত সুমিত ইউনাইটেড ৱৰ্ল্ড ৰেষ্টলিঙক প্ৰতিনিধিত্ব কৰা মেগʼমেড ওজদামিৰʼভৰ সন্মুখীন হʼব। মেগʼমেডে ছেমি ফাইনেলত কাজাখস্তানৰ নুৰডানত আইটানʼভক ৩-১ ফলাফলত পৰাস্ত কৰিছিল।

ooooo

সমাপ্ত